জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫/২০২১

# লাইফ লাইন কেয়াৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## লাইফ লাইন কেয়াৰৰ আৱাসিসকলৰ মাজত ফল-মূল বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## চৰকাৰে এই প্ৰতিষ্ঠানলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীৰ আশ্বাস

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ পৱিত্ৰ ক্ষণতে কালি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মহানগৰীৰ সাতগাঁৱস্থিত লাইফ লাইন কেয়াৰ পৰিদৰ্শন কৰে।

উল্লেখ্য যে এই লাইফ লাইন কেয়াৰ হোমৰ আলজাইমাৰ আৰু ডিমেনচীয়া ৰোগীসকলক ৰখাৰ উপৰি তেওঁলোকৰ স্বাস্থ্যৰো দিহা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শনৰ সময়ত ইয়াত থকা এই ৰোগীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে পাই থকা চিকিৎসাৰ সা-সুবিধা সমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে ইয়াত থকা ৰোগীসকলৰ মাজত ফল-মূলো বিতৰণ কৰে। লাইফ লাইন কেয়াৰত থকা সা-সুবিধাৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে এই সংস্থাক সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়োৱা হ'ব বুলিও আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে গ্ৰামোন্নয়ন বিভাগৰ নৰ্থ ভল্যুন্টাৰী এছ'চিয়েশ্যনৰ অধীনৰ নিৰ্মল ভৱনো পৰিদৰ্শন কৰে। উল্লেখ্য যে লাইফ লাইন কেয়াৰৰ কাষতে অৱস্থিত এই ভৱনত গাৰ্হ্যস্থ হিংসাৰ বলি হোৱা লোকসকলক ৰখা হয়। লাইফ লাইন কেয়াৰ হোমলৈ যোৱা পথছোৱাৰ গুৰুত্বৰ কথা উপলব্ধি কৰি মুখ্যমন্ত্ৰীয়ে এই পথটো নিৰ্মাণৰ বাবে চৰকাৰে পদক্ষেপ ল'ব বুলিও কয়।

পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, সমাজ কল্যাণ বিভাগৰ বিষয়াবৰ্গৰ উপৰি বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ /বঃভাঃ**
**২৭/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in